দৈনিক অগ্ৰদূত ২৪/৭

মাত্ৰ ২৩ শতাংশহে জমা হৈছে

# এন আৰ চি প্ৰপত্ৰ জমা দিয়াৰ সময় বৃদ্ধি ঃ ন'ডেল বিষয়াৰ ঘোষণা

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ২৩ জুলাই ঃ অৱশেষত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী (এন আৰ চি)ৰ প্ৰপত্ৰ জমা দিয়াৰ অন্তিম সময়সীমা বৃদ্ধি কৰা হ'ল। অৱশ্যে এই সময়সীমা কিমান দিনলৈ বৃদ্ধি কৰা হ'ব সেই সিদ্ধান্ত আজি পৰ্যন্ত চূড়ান্ত হোৱা নাই। পূৰ্বনিৰ্ধাৰিত সূচী অনুসৰি অহা ৩১ জুলাই হ'ল

১০ পৃষ্ঠাত চাওক

# এন আৰ চি প্ৰপত্ৰ জমা দিয়াৰ

*এক পৃষ্ঠাৰ পৰা* প্ৰপত্ৰ জমা দিয়াৰ অন্তিম দিন। কিন্তু জমা দিয়া প্ৰক্ৰিয়াটো অতি লেহেমীয়া হোৱা হেতুকে সময়সীমা বৃদ্ধিৰ দাবী বিভিন্ন মহলৰ পৰা উত্থাপিত হয়। ফলস্বৰূপে এই সময়সীমা বৃদ্ধিৰ সিদ্ধান্ত গ্ৰহণ কৰা হয় বুলি 'দৈনিক অগ্ৰদূত'ক জানিবলৈ দিয়ে এন আৰ চিৰ অসমৰ ন'ডেল বিষয়া প্ৰতীক হাজেলাই।

উল্লেখ্য যে ৩১ জুলাইলৈ মাজত মাত্ৰ আঠদিন বাকী থকা অৱস্থাত এন আৰ চি সেৱা কেন্দ্ৰৰ জৰিয়তে প্ৰপত্ৰৰ মাত্ৰ ২৩ শতাংশহে জমা হৈছে। সংখ্যাৰ হিচাপত সেই পৰিমাণ হ'ল ১৫ লাখ। একেদৰে অনলাইনৰ জৰিয়তে জমা হোৱা প্ৰপত্ৰৰ সংখ্যা হ'ল মাত্ৰ ৫০ হেজাৰ। অথচ ইয়াৰ বিপৰীতে ২০১১ৰ লোকপিয়ল অনুসৰি ৰাজ্যখনত থকা পৰিয়ালৰ সংখ্যা হ'ল ৬৪ লাখ। চলিত বৰ্ষলৈ সেই সংখ্যা কমেও ৭০ লাখলৈ বৃদ্ধিৰ সম্ভাৱনা সংশ্লিষ্ট পক্ষবোৰে ব্যক্ত কৰিছে। সেয়েহে সময়সীমা বৃদ্ধি হ'লেও এন আৰ চি উন্নীতকৰণৰ পৰৱৰ্তী প্ৰক্ৰিয়াটো যথেষ্ট প্ৰত্যাহ্বানজনক হোৱাৰ আশংকা আছে। কাৰণ উচ্চতম ন্যায়ালয়ৰ কঠোৰ নিৰ্দেশনা অনুসৰি ২০১৬ৰ জানুৱাৰীৰ ভিতৰত এন আৰ চিৰ সকলো কাম সম্পূৰ্ণ হ'বই লাগিব। ইপিনে, প্ৰপত্ৰ জমা লোৱাৰ পাছত আৰম্ভ হ'ব ঘৰে ঘৰে গৈ তথ্য পুনৰীক্ষণৰ পৰ্যায়। সেই পৰ্যায়টো যথেষ্ট কঠিন আৰু সময়ো লাগিব যথেষ্ট। অৱশ্যে এই সম্পৰ্কে ন'ডেল বিষয়াজনে আনুষ্ঠানিক কোনো মন্তব্য কৰাৰ পৰা বিৰত থাকে।

# এন আৰ চিৰ প্ৰপত্ৰ দাখিল কৰোঁতে হাৰাশাস্তি ঃ পুঠিমাৰীত প্ৰতিক্ৰিয়া

কমলপুৰ, ২৩ জুলাই ঃ কামৰূপ জিলাৰ পুঠিমাৰী এন আৰ চি সেৱা কেন্দ্ৰত প্ৰপত্ৰ জমা দিবলৈ আহি আবেদনকাৰীয়ে বোন্দাপৰ দিয়াৰ পাছত অতিষ্ঠ আবেদনকাৰীসকলে ২০ জুলাইৰ পুৱা সংশ্লিষ্ট কৰ্তৃপক্ষৰ লগত বাক্‌যুদ্ধত লিপ্ত হ'বলগীয়া হয়। পুঠিমাৰী এন আৰ চি সেৱা কেন্দ্ৰটোৰ অন্তৰ্গত হাঁহাৰা, মৌকুচি, লেচাকোনা, কেন্দুকোনা, বামুণনগৰ, লাউকুৰি, ঘোপলা, কছুৰুৱা, বৰংগাবাৰী, সুন্দৰীশাল, ডেকাৰকুছিকে ধৰি ১১ খন ৰাজহ গাঁৱৰ প্ৰায় চাৰি হেজাৰ এন আৰ চি প্ৰপত্ৰ জমা কৰিব লগা হোৱাত উক্ত কেন্দ্ৰটোত থকা দুজন কম্পিউটাৰ অপাৰেটৰ আৰু এজন ৰেজিষ্টাৰসহ দুজন সহায়কে কাম সম্পন্ন কৰিব পৰা নাই। বিশেষকৈ শালিৰ বতৰত কৃষকসকলে খেতিৰ কাম বাদ দি হ'লেও এন আৰ চিৰ প্ৰপত্ৰ জমা কৰিবলৈ আহি দুদিনকৈ কাম ক্ষতি কৰিবলগীয়া হৈছে। ইপিনে, চৰকাৰী কৰ্মচাৰীসকলৰো ক্ষেত্ৰত কাম ক্ষতি কৰি দুই তিনিদিন ধৰি তাঁতবাটি কাঢ়িবলগা হৈছে। এন আৰ চি সেৱা কেন্দ্ৰটোত বৰ্তমান দৈনিক তিনি-চাৰিশ আবেদনকাৰীয়ে প্ৰপত্ৰ জমা কৰিবলৈ অহাত কৰ্মচাৰীৰ মাজত হাহাকাৰৰ সৃষ্টি হৈছে। কিয়নো দুজন কম্পিউটাৰ অপাৰেটৰে দিনটোত ৬০-৭০ খনতকৈ বেছি প্ৰপত্ৰ কম্পিউটাৰত ডাটা তালিকাভুক্ত কৰিব পৰা নাই। কম্পিউটাৰ ছেটসমূহ মাজে মাজে বন্ধ হৈ যোৱাৰ সমস্যাই জুৰুলা কৰিছে অপাৰেটৰ দুজনক। প্ৰতিদিনে প্ৰপত্ৰ জমা কৰিবলৈ অহা আবেদনকাৰীসকলক পুঠিমাৰী গাঁও পঞ্চায়তে সহায় কৰি আহিছে। কাম ক্ষতি কৰি দূৰদূৰণিৰ গাঁৱৰ পৰা এন আৰ চি প্ৰপত্ৰ জমা কৰিবলৈ অহা আবেদনকাৰীৰ দুৰ্গতি দেখি ৰাইজ বিভাগীয় বিষয়াক পুঠিমাৰী এন আৰ চিৰ সেৱা কেন্দ্ৰত অধিক কৰ্মচাৰী নিয়োগ কৰি সমস্যা সমাধানৰ দাবী জনাইছে।